# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

চাওঁতে চাওঁতে ইংৰাজী ২০২৪ বৰ্ষই বিদায় ল'বলৈ ওলাইছে। আৰু কেইটামান ঘণ্টাৰ পাছতে ২০২৪-এ বিদায় ল'ব আৰু এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ ৰ'ল ২০২৪ বছৰটো।

ইংৰাজী নতুন বৰ্ষক আদৰাৰ বাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো প্ৰস্তুতি চলিছে। আজি বছৰৰ অন্তিম দিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বনভোজস্থলীসমূহতো যথেষ্ট ভিৰ পৰিলক্ষিত হয়। নৱবৰ্ষৰ লগতে বৰ্তমানৰ বনভোজৰ বতৰত সঘনে হোৱা পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ আৰক্ষী আৰু পৰিবহণ বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত নিৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। আজি এটা বিবৃতিত মুখ্যমন্ত্ৰীয়ে কয়, যে নৱবৰ্ষই সদায় নতুন আশা কঢ়িয়াই অনাৰ লগতে নতুন উৎসাহ আৰু উদ্দীপনাৰে আগুৱাই যোৱাৰ বাবে সকলোকে উৎসাহিত কৰে।

০০০০০

ৰাজ্য চৰকাৰে কাইলৈ নতুন বছৰৰ পহিলা দিনটোত গুৱাহাটী মহানগৰীত কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এখন পদপথ সেতু আৰু অবিভক্ত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ আৱক্ষ মূৰ্তি ৰাইজৰ নামত উৎসৰ্গা কৰিব। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰৰ ৰে'ল ষ্টেচনৰ সমীপৰ জি এছ ৰোডৰ ওপৰত প্ৰায় ১৬ কোটি ৬৭ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা অত্যাধুনিক পদপথ সেতুখনে গুৱাহাটী ৰে'ল ষ্টেচনলৈ যাবলগীয়া পথচাৰীসকলৰ যাত্ৰা সুগম কৰিব। এই সেতুখনত দিব্যাংগসকলৰ বাবে লিফ্ট আৰু মহিলা আৰু জ্যেষ্ঠ নাগৰিকৰ বাবে এস্কেলেটৰৰ সুবিধা ৰখা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ পুৱাৰ ভাগত এই পদসেতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে ভাৰতৰত্ন সন্মানেৰে বিভূষিত অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ সমাধি-শান্তিস্থলত নিৰ্মাণ কৰা তেওঁৰ আৱক্ষ মূৰ্তি আৰু নতুন পুথিভঁৰাল ভৱনো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০০০

কৰ্মচাৰীসকলৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি কাইলৈ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ বাবে পাৰস্পৰিক বদলিকৰণৰ পোৰ্টেল স্বাগত সতীৰ্থ মুকলি কৰা হব। কৰ্মচাৰীসকলে চাকৰি কালত দুবাৰকৈ এই সুবিধা গ্ৰহণ কৰিব পাৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

০০০০০

চৰকাৰ চাহ শ্ৰমিকসকলৰ সৱলিকৰণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে ২০২৪ বৰ্ষত চাহ শ্ৰমিকসকলৰ কল্যাণৰ বাবে কৰা প্ৰচেষ্টা অধিক

শক্তিশালী কৰা হৈছে। ব্যাপক সামাজিক সুৰক্ষা আঁচনিৰ অধীনত অসম চাহ কোম্পানী লিমিটেডৰ কৰ্মচাৰীসকলৰ বিত্তীয় সুৰক্ষা নিশ্চিত কৰাৰ বাবে ২০ শতাংশ বোনাচ দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

চৰাইদেউৰ আৰক্ষী অধীক্ষক সুৰজিত সিং পানেচৰৰ নেতৃত্বত আৰক্ষীৰ এটা দলে নাগালেণ্ডৰ মন জিলাৰ তিজিত লাফাৰ পৰা আলফাৰ এজন লিংকমেনক গ্ৰেপ্তাৰ কৰিছে। আটক কৰা লোকজনক টাফা কন্যাক বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত লিংকমেনজনক জেৰা চলাই আছে।

০০০০০

আৰক্ষীয়ে নগাঁৱৰ কঠিয়াতলীৰ ৰাঙলু গাঁৱত অভিযান চলাই ড্ৰাগছসহ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ কৰা লোকজনক জুৰিয়াৰ ফৈজুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। ধৃত লোকজনৰ পৰা ৫ টা হেৰোইন ভৰ্তি কণ্টেইনাৰ, এটা মোবাইল ফোন আৰু নগদ ১০ হাজাৰৰো অধিক টকা উদ্ধাৰ কৰা হৈছে। আৰক্ষীয়ে ফৈজুলক জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

ইপিনে, আৰক্ষীৰ বিশেষ অভিযানকাৰী দলে আজি গুৱাহাটীৰ খানাপাৰাৰ পৰা এজন মাদক দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে বঙাইগাওঁৰ জাকিৰ হুছেইন নামৰ এই সৰবৰাহকাৰীজনৰ পৰা ২৮ দশমিক ৫-৮ গ্ৰাম হেৰোইনো জব্দ কৰে।

০০০০০

কাইলৈৰ পৰা সমগ্ৰ দেশতে ৰে’লৰ নতুন সময়সূচী কাৰ্যকৰী হ’ব। এই নতুন সময়সূচীত উত্তৰ-পূৰ্ব সীমান্ত ৰে’লৰ অধীনত চলাচল কৰা মুঠ ৪৩ খন ৰে’লগাড়ীৰ বেগ দ্ৰুত হোৱাৰ ফলত যাত্ৰাকাল দুঘণ্টা পৰ্যন্ত হ্ৰাস পাব। যাত্ৰাকাল হ্ৰাস পাবলগীয়া ৰে’লগাড়ীসমূহৰ ভিতৰত নিউ তিনিচুকীয়া আৰু বাংগালুৰুৰ মাজত চলাচল কৰা ২২৫০১ নম্বৰ এক্সপ্ৰেছ ৰে’লগাড়ীখনৰ যাত্ৰাকাল পূৰ্বৰ তুলনাত দুঘণ্টা হ্ৰাস পাব। একেদৰে ১৫০৭৭ নম্বৰৰ কামাখ্যা আৰু গোমতীনগৰৰ মাজত চলাচল কৰা এক্সপ্ৰেছ ৰে’লগাড়ীখনৰ যাত্ৰাৰ সময় পূৰ্বৰ তুলনাত প্ৰায় ডেৰ ঘণ্টা ৰাহি হ’ব। ১৫৯৬২ নম্বৰৰ কামৰূপ এক্সপ্ৰেছ নামেৰে জনাজাত ডিব্ৰুগড়-হাওৰা এক্সপ্ৰেছখনৰো যাত্ৰাৰ সময় নতুন সময়সূচী অনুযায়ী এঘণ্টা ৰাহি হ’ব। উত্তৰ-পূব সীমান্ত ৰে’লৰেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জনোৱা মতে, এই নতুন সময়সূচী অনুসৰি শিলচৰ আৰু থিৰুৱনন্তপুৰমৰ মাজত চলাচল কৰা ১২৫০৮ নম্বৰ ৰে’লগাড়ীখনৰো যাত্ৰাৰ সময় কিছু সালসলনি হ’ব। ইয়াৰ লগতে উত্তৰ-পূব সীমান্ত ৰে’লৰেৰ কাটিহাৰ আৰু মালদা সংমণ্ডলৰ অধীনৰ আন ২৩ খন ৰে’লগাড়ীৰ সময়সূচীৰো সালসলনি ঘটোৱা হৈছে বুলি মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জনাইছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী ২ - ৩ দিনত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষ নিশা আৰু পুৱাৰ ভাগত ঘন কুৱলি পৰিব পাৰে বুলি আগলি বতৰা দিছে।

০০০০০

সমাপ্ত